# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বিগত ১০ বছৰত বৰ্তমানৰ চৰকাৰে ৰূপায়ণ কৰা সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ মন্ত্ৰৰ বাবেই সমগ্ৰ বিশ্বই ভাৰতৰ কৌশলগত গুৰুত্বৰ কথা স্বীকাৰ কৰিবলৈ লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ লগতে অসম সহ ১৫খন ৰাজ্যৰ ৪৮টা বিধানসভা আৰু দুটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কিছু সময়ৰ পাছত আৰম্ভ হ'ব।

৩। ছত্তিশগড়ত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত ১০ জন মাওবাদী নিহত হয়।

৪। ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডিৰ যুটীটো আজি চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

*আৰু*

৫। অষ্ট্ৰেলিয়াই পাৰ্থ টেষ্টৰ আজি দ্বিতীয় দিনা ৭ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব।

ooooo

বিগত ১০ বছৰত বৰ্তমানৰ চৰকাৰে ৰূপায়ণ কৰা সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ মন্ত্ৰৰ বাবেই সমগ্ৰ বিশ্বই ভাৰতৰ কৌশলগত গুৰুত্বৰ কথা স্বীকাৰ কৰিবলৈ লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। জাৰ্মানীৰ স্তুটগাৰ্টৰ এটা সংবাদগোষ্ঠীয়ে ভাৰত-জাৰ্মানী ঃ বহনক্ষম উন্নয়নৰ পৰিকল্পনা বিষয়বস্তুৰে আয়োজন কৰা এটা অনুষ্ঠান সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কালি এইদৰে প্ৰকাশ কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে দিয়া ভাষণত শ্ৰীমোদীয়ে কয়, যে ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থাৰ দেশ আৰু প্ৰতিখন ৰাষ্ট্ৰই উন্নয়নৰ বাবে ভাৰতৰ সৈতে সহযোগ কৰিব বিচাৰে। তেওঁ কয়, যে জাৰ্মানীৰ ফকাচ অন ইণ্ডিয়া নথি ইয়াৰ উদাহৰণ আৰু এই নথিয়ে বিশ্বই কিদৰে ভাৰতৰ কৌশলগত গুৰুত্বৰ কথা স্বীকাৰ কৰিছে সেই কথা প্ৰতিফলিত কৰে। ভাৰতে প্ৰতিটো খণ্ডৰ বাবে নতুন নীতি প্ৰৱৰ্তন কৰিছে আৰু একবিংশ শতিকাত দ্ৰুত বিকাশ আহৰণ কৰাৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁৰ চৰকাৰে ব্যৱসায় সূচল কৰি তোলাৰ উদ্দেশ্যে ৰঙা ফিটাৰ মেৰপেচৰ অৱসান ঘটাইছে। তেওঁ লগতে কয়, যে ভাৰতে উন্নয়নৰ বাবে বহনক্ষম মূলধন উপলব্ধ কৰোৱাৰ উদ্দেশ্যে দেশৰ বেংকিং ব্যৱস্থা সুদৃঢ় কৰি তুলিছে। এটা শক্তিশালী ভেঁটি গঢ়ি তোলা হৈছে আৰু এই ভেঁটিৰ ওপৰতে বিকশিত ভাৰতৰ বিশাল অট্টালিক গঢ়ি তোলা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে,

জাৰ্মানী উন্নয়নৰ এই যাত্ৰাত ভাৰত নিৰ্ভৰযোগ্য সহযোগী হ'ব। বিগত কেইটামান বছৰত ভাৰত আৰু জাৰ্মানীৰ মাজত পাৰস্পৰিক সহযোগিতা ক্ৰমাৎ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি শ্ৰীমোদীয় কয়, যে ভাৰতত এহেজাৰ ৮০০টাতকৈ অধিক জাৰ্মান কোম্পানীয়ে কাম কৰি আছে আৰু এই কোম্পানীসমূহে যোৱা ৩-৪ বছৰত এহেজাৰ ৫০০ কোটি ডলাৰ বিনিয়োগ কৰিছে। তেওঁ কয়, যে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্যই ৩ হাজাৰ ৪০০ কোটি ডলাৰ স্পৰ্শ কৰিছে আৰু অনাগত সময়ত এই পৰিমাণ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

জাৰ্মানীৰ উন্নয়ন যাত্ৰাত নিৰ্মাণ আৰু অভিযান্ত্ৰিক খণ্ডই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, ভাৰতো বিশ্বৰ বৃহৎ নিৰ্মাণ কেন্দ্ৰ ৰূপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। তেওঁ কয়, যে ভাৰতে মেক ইন ইণ্ডিয়াৰ আঁচনিৰ সৈতে জড়িত নিৰ্মাতাসকলক উৎপাদন আধাৰিত উদগনি প্ৰদান কৰি আহিছে। ভাৰত সম্প্ৰতি মোবাইল আৰু বৈদ্যুতিন আহিলাপাতিৰ নিৰ্মাণৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী দেশ ৰূপে পৰিগণিত হৈছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰী কয়, যে কোনো এখন দেশৰ দ্ৰুত উন্নয়নৰ বাবে ভৌতিক, সামাজিক আৰু ডিজিটেল আন্তঃগাঁথনিৰ বাবে বিনিয়োগ বৃদ্ধি কৰাটো অত্যন্ত জৰুৰী। দেশত তিনিটা ভাগত আন্তঃগাঁথনিৰ সৃষ্টিৰ কাম দ্ৰুতগতিত চলি আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে জাৰ্মান কোম্পানীসমূহক ভাৰতত বিনিয়োগ বৃদ্ধি কৰিবলৈ আহ্বান জনায়।

ooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ লগতে অসম সহ ১৫খন ৰাজ্যৰ ৪৮টা বিধানসভা আৰু দুটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কিছু সময়ৰ পাছত আৰম্ভ হ'ব।

অসমৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পুৱা ৮ বজাত আটাইকেইটা সমষ্টিত একেলগে ভোটগণনা আৰম্ভ হ'ব। ভোটগণনাৰ বাবে ৮টা হল সাজু কৰা হৈছে। ইয়াৰে ই ভি এমৰ ভোটগণনাৰ বাবে মুঠ ৬৮ খন টেবল সাজু কৰি তোলা হৈছে। ভোটগণনা প্ৰক্ৰিয়াত ৩৫০ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰীক নিয়োজিত কৰা হৈছে। আজি প্ৰথমে প'ষ্টেল বেলট আৰু ৮৫ বছৰ বয়সৰ ঊৰ্ধৰ লোকসকলে ঘৰতে ভোটদান কৰা বেলটবোৰ গণনা কৰা হ'ব। তাৰ পাছতে ই ভি এমৰ ভোটগণনা আৰম্ভ হ'ব। এই সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooo

ছত্তীশগড়ত কালি নিৰাপত্তাৰক্ষী আৰু মাওবাদী উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষত কমেও ১০টা মাওবাদী নিহত হৈছে। সংঘৰ্ষৰ পিছত নিৰাপত্তাৰক্ষীয়ে ঘটনাস্থলীৰ পৰা বহু সংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ উদ্ধাৰ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে ৰাজ্যখনৰ চুকমা জিলাৰ কন্তা অঞ্চলত মাওবাদীৰ উপস্থিতিৰ বিষয়ে চোৰাংচোৱা তথ্য লাভ কৰাৰ পিছতে চি আৰ পি এফ আৰু ডিষ্ট্ৰিক্ট ৰিজাৰ্ভ গাৰ্ড- চমুকৈ ডি আৰ জিয়ে যুটীয়া অভিযান আৰম্ভ কৰে। এই অভিযানৰ সময়তে ভেজ্জী অঞ্চলৰ ঘন জংঘলত দুয়োপক্ষৰ মাজত গুলীয়াগুলী লাগে। এই সংঘৰ্ষত কমেও ১০ মাওবাদী নিহত হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে ওড়িশাৰ ইতিহাসৰ কলিংগ যুদ্ধৰ অধ্যায়ে বিশ্ববাসীক শান্তিৰ পথ দেখুৱাব পাৰে। কালি সন্ধিয়া নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত তিনিদিনীয়া 'ওড়িশা পৰ্ব' কাৰ্যসূচী উদ্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, প্ৰগতিৰ বাবে যে শান্তি গুৰুত্বপূৰ্ণ সেই কথা কলিংগ যুদ্ধই মানুহক শিকাই থৈ গ'ল। সম্প্ৰতি বিশ্বৰ কেইবাখনো দেশত যুদ্ধ তথা আক্ৰমণ প্ৰত্যাক্ৰমণ হৈ থকাৰ প্ৰসংগ উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে আজি বিশ্বৰ একাংশ লোক প্ৰত্যক্ষ সংঘাতত নামি পৰিছে। কিন্তু ওড়িশাৰ সংস্কৃতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল সহনশীলতা। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে স্নেহ আৰু সম্প্ৰীতিৰে জীয়াই থাকি জনতাক দেশ তথা ৰাজ্যৰ বাবে সাধ্য অনুসৰি কাম কৰি যাবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে ওড়িশাৰ শিল্প, সাহিত্য, নৃত্য, সংগীত, আৰু খাদ্যৰ চহকী ঐতিহ্যৰ বিষয়ে মানুহক সজাগ কৰাত ওড়িশা পৰ্বই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতীয় সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী পাঁচদিনীয়া ভ্ৰমনসূচীৰে নেপালত উপস্থিত হৈছেগৈ। তেওঁ কালি নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলি আৰু প্ৰতিৰক্ষা মন্ত্ৰী মনবীৰ ৰায়ক সাক্ষাৎ কৰি ভাৰত আৰু নেপালৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশক লৈ আলোচনা কৰে। ভাৰত আৰু নেপালে দুয়োখন দেশৰ সেনাধ্যক্ষক পৰস্পৰে সন্মানীয় জেনেৰেল উপাধি প্ৰদান কৰা ব্যৱস্থা অব্যাহত থকাত প্ৰধানমন্ত্ৰী অলিয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ দুয়োখন দেশৰ মাজৰ সহযোগিতা আৰু অধিক সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ভাৰতীয় সেনা প্ৰধানগৰাকীয়ে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে তেওঁ কৰিব পৰা সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ মুখ্য উপদেষ্টা বিষ্ণু ৰীমা, নেপালত থকা ভাৰতৰ ৰাষ্ট্ৰদূত নবীন শ্ৰীবাস্তৱ, বৈদেশিক মন্ত্ৰালয়ৰ যুটীয়া সচিব ভৃগু ধুংগানা আৰু নেপাল সেনাৰ মেজৰ জেনেৰেল মধুকৰ কাৰ্কিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডিৰ যুটীটো আজি চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ জিন য়ং আৰু ছিঅ ছেউং জেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চিৰাগ আৰু সাত্বিকছাইৰাজৰ যুটীটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ কিম অস্ত্ৰুপ আৰু এণ্ড্ৰাৰ্ছ স্কাৰ্প ৰাছমুছেনক ২১-১৬, ২১-১৯ গেমত পৰাস্ত কৰে।

ooooo

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি দ্বিতীয় দিনা ৭ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। খেলখন পুৱা ৭ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। ভাৰতে কালি খেলখনৰ প্ৰথম দিনা টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় আৰু প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ টেষ্ট ক্ৰিকেটত অভিষেক ঘটা নীতিশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৫৯টা বলত ৪১ ৰাণ সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ হেজেলউডে ২৯ ৰান দি চাৰিটা আৰু মিচ্চেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট সংগ্ৰহ কৰে। ইয়াৰ পাছত প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি অষ্ট্ৰেলিয়াৰ বেটছমেন সকলো শ'লঠেকত পৰে আৰু ৬৭ ৰানতে ৭টাকৈ উইকেট হেৰুৱাই। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই চাৰিটা, মহম্মদ চিৰাজে দুটা আৰু হৰ্ষিত ৰাণাই এটা উইকেট লাভ কৰে।

ooooo

**সমাপ্ত**